অসম

ডিগবৈত উলহ-মালহেৰে উদযাপন পৱিত্র ষট্ পূজা

প্রকাশ: ১৭ নৱেম্বৰ ২০২৬, নিশা ১১:১৬



(BIJOY SUTRADHAR)

ডিগবৈত উলহ-মালহেৰে উদযাপন পৱিত্র ষট্ পূজা

ৰাজ্যৰ বিভিন্ন প্রান্তৰ লগতে তৈলনগৰী ডিগবৈতো উলহ-মালহেৰে উদযাপন কৰা হয় পৱিত্র ষট্ পূজা। এই উপলক্ষে ডিগবৈৰ ভাচান পুখুৰীৰ পাৰত পৰিলক্ষিত হয় উৎসৱমুখৰ পৰিৱেশ।

ষট্ পূজা উপলক্ষে আজি সন্ধিয়া ডিগবৈ ভাচান পুখুৰীৰ পাৰলৈ অগণন ভক্তপ্রাণ ৰাইজৰ সমাগম ঘটে। পৰম্পৰাগত ৰীতি-নীতিৰে ভক্তসকলে সূর্য দেৱতাৰ উপাসনা কৰাৰ লগতে পৰিয়ালৰ সুখ-শান্তি, সুস্বাস্থ্য আৰু সমৃদ্ধি কামনা কৰে।

উল্লেখযোগ্য যে, এই পৱিত্র উৎসৱত সকলো জাতি-জনগোষ্ঠী, ভাষা আৰু ধর্মাৱলম্বী লোকৰ স্বতঃস্ফূর্ত অংশগ্রহণে ডিগবৈত সম্প্রীতি আৰু ভাতৃত্ববোধৰ এক সুন্দৰ নিদর্শন দাঙি ধৰে।

ইফালে, শ-শ পুৰুষ-মহিলাই অস্তগামী সূর্য দেৱতাক ভক্তিভাৱে অর্ঘ্য আগবঢ়াই দেশ আৰু জাতিৰ মংগল কামনাৰে পূজা-অর্চনা কৰে।

ভক্তিৰস, আধ্যাত্মিকতা আৰু সামাজিক সম্প্রীতিৰ অপূর্ব সমাহাৰেৰে ডিগবৈৰ ভাচান পুখুৰীৰ পাৰ হৈ পৰে এক আকর্ষণীয় ধর্মীয় মিলনভূমি।

© 2026 NewzNow

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/3402/digoboit-uloh-malohere-udojapon-powitr-sot-puja